

ভাৰতৰ জিএমআৰটি ৰেডিঅ'দুৰবীন

তেখেতে ১২৫খনৰো অধিক গৱেষণাপত্ৰ প্ৰকাশ কৰাৰ উপৰি চাৰিখন পুথি সম্পাদনা কৰিছিল। তেখেতৰ দুটা উদ্ভাৱনৰ পেটেণ্ট আছে।

ড° স্বৰূপ লণ্ডনৰ ৰয়েল ছ'ছাইটি প্ৰমুখ্যে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় বৈজ্ঞানিক আৰু জ্যোতিৰ্বৈজ্ঞানিক সংস্থা আৰু সমিতিৰ সদস্যৰ পদেৰে অলংকৃত হৈছিল। তেখেত ১৯৭৯-৮২ চনৰ কালছোৱাত 'আন্তৰ্জাতিক জ্যোতিৰ্বৈজ্ঞানিক সংস্থা'ৰ (International Astronomical Union) সভাপতিৰ পদত অধিষ্ঠিত হৈছিল। ড° গোবিন্দ স্বৰূপে লাভ কৰা সন্মান আৰু বঁটাসমূহৰ ভিতৰত আছে পদ্মশ্ৰী (১৯৭৩), শান্তিস্বৰূপ ভাটনাগৰ বঁটা (১৯৭২), ভাইনু বাপু স্মাৰক বঁটা, ছি ভি ৰামণ পদক, হোমি জাহাংগিৰ বঁটা, মেঘনাদ সাহা পদক, বিৰলা পুৰস্কাৰ, ইৰানৰ খাৱাৰিজমি আন্তৰ্জাতিক বঁটা, ৰয়েল এষ্ট্ৰ'নমিকেল ছ'ছাইটিৰ হাৰ্শ্চেল পদক, গ্ৰ'টে ৰেবাৰ মেডেল, ইত্যাদি।

অধ্যাপক স্বৰূপৰ পত্নীৰ নাম বীণা স্বৰূপ, আৰু তেখেতসকলৰ এজন পুত্ৰ আৰু এগৰাকী কন্যা আছে।

## বিজ্ঞান-প্ৰযুক্তিৰ নতুন খবৰ

### মৃদু মাত-কথাই কৰ'নাৰ সংক্ৰমণ কমায়

"ছাত্ৰ-ছাত্ৰীৰে ভৰা কিন্তু মৃদুভাৱে কথা-বাৰ্তা কোৱা এটা শ্ৰেণীকোঠা, শাৰীৰিক দূৰত্ব মানি উচ্চস্বৰত কথা পাতি নাচ-গান চলাই থকা বাৰ-পাৰ্টিৰ তুলনাত কম বিপজ্জনক।"— অভ্যন্তৰীণ পৰিৱেশত কৰ'না ভাইৰাছৰ সংক্ৰমণ সম্বন্ধে অধ্যয়ন কৰা কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ ছগৰাকী গৱেষকৰ ভিতৰৰে উইলিয়াম ৰিষ্টেনপাৰ্টে এইবুলি মত প্ৰকাশ কৰিছে।

গৱেষকসকলে কয় যে উচ্চ স্বৰৰ পৰিৱৰ্তে মৃদুভাৱে কথা ক'লে কৰ'না ভাইৰাছ



নিশাহত কৰ'না ভাইৰাছৰ নিৰ্গমন

কণিকাৰ সিঁচৰতি হোৱাৰ তীব্ৰতা কমে। চিকিৎসালয়ৰ জিৰণি-কোঠা, হোটেল-ৰেস্তোৰাঁ আদি বিপদাশংকা থকা স্থানসমূহত অধিক 'নিৰৱ মণ্ডল'ৰ (quiet zone) ব্যৱস্থা কৰিলে ক'ভিড-১৯অৰ সংক্ৰমণৰ মাত্ৰা হ্ৰাস পাব পাৰে। মানুহৰ সাধাৰণ কথোপকথনৰ শব্দৰ মাত্ৰা ৬৫ ডেছিবেল (ডিবি), ফুচফুচাই কোৱা কথাৰ শব্দৰ মাত্ৰা ৩০ ডিবি, আৰু এখন ব্যস্ত ৰেস্তোৰাঁৰ পৰিৱেশৰ শব্দৰ মাত্ৰা প্ৰায় ৭০ ডিবি। বিজ্ঞানীকেইজনে প্ৰকাশ কৰে যে অভ্যন্তৰীণ পৰিৱেশত শব্দৰ মাত্ৰা গড়ে ৬ ডিবি কমাই ৰাখিলে ই কোঠাটোত ভেণ্টিলেশ্যন দুগুণ কৰাৰ সমতুল্য হ'ব।

মানুহে কথা ক'লে, চিঞৰিলে, নাইবা কাহিলে-হাঁচিয়ালে মুখৰপৰা ওলাই যোৱা এৰ'ছলৰ সৈতে কৰ'না ভাইৰাছৰ কণিকাও নিৰ্গত হৈ বিয়পি পৰে (যদিহে মানুহজন ক'ভিডত আক্ৰান্ত হয়)। গৱেষণালব্ধ তথ্য অনুসৰি, ৩৫ ডেছিবেল (চিঞৰি কথা পতা আৰু ফুচফুচাই কথা পতাৰ পাৰ্থক্য) শব্দৰ মাত্ৰাৰ বৃদ্ধিয়ে কৰ'না ভাইৰাছৰ নিৰ্গমন প্ৰায় ৫০ গুণ বৃদ্ধি কৰে।

### শুক্ৰগ্ৰহত ফছফিন ঃ ই জীৱৰ অস্তিত্বৰ প্ৰমাণ হ'ব পাৰেনে?

চিৰ কৌতূহলী মানৱ জাতিয়ে বিশ্বব্ৰহ্মাণ্ডত জীৱৰ অস্তিত্বৰ সন্ধান কৰি আছে। মাজে মাজে পৃথিৱীৰ বাহিৰে সৌৰজগতৰ অন্য গ্ৰহ-উপগ্ৰহ, গ্ৰহাণু, ধূমকেতু আদি আৰু সৌৰজগতৰ বাহিৰৰ মহাকাশত জীৱ থকাৰ সম্ভাৱনাৰ বিষয়ে বা-বাতৰি ওলায়ে থাকে। জ্যোতিৰ্বিজ্ঞানীসকলৰ এটা গণনা অনুসৰি জীৱৰ বাসোপযোগী পৃথিৱীৰ লেখীয়া গ্ৰহ বিশ্বব্ৰহ্মাণ্ডত প্ৰায় ১০$^{২০}$টা আছে। বিজ্ঞানীসকলে মহাকাশীয় বস্তুবোৰৰ পৃষ্ঠত বা বায়ুমণ্ডলত পোৱা কিছুমান বিশেষ ৰাসায়নিক পদাৰ্থৰ ভিত্তিত সেইবোৰত জীৱ থকাৰ সম্ভাৱনাৰ বিষয়ে মত প্ৰকাশ কৰে।

অলপতে, জ্যোতিৰ্বিজ্ঞানীৰ আন্তৰ্জাতিক দল এটাই শুক্ৰ গ্ৰহৰ বায়ুমণ্ডলত ফছফিন নামৰ এটা গেছ থকাৰ প্ৰমাণ পাইছে। এই আৱিষ্কাৰে গ্ৰহটোত জীৱৰ অস্তিত্বৰ সম্ভাৱনাৰ বিষয়ে বিজ্ঞানীমহলত আলোড়নৰ সৃষ্টি কৰিছে। এই ফছফিন (phosphine; $PH_3$) নামৰ গেছবিধ ফছফৰাছ আৰু হাইড্ৰ'জেনৰদ্বাৰা তৈয়াৰী। ই বৰণহীন আৰু গোন্ধযুক্ত। ইয়াক ঔদ্যোগত উৎপাদন কৰা হয় যদিও ইয়াক অক্সিজেন অবিহনে জীয়াই থাকিব পৰা কিছুমান বেক্টেৰিয়ায়ো তৈয়াৰ কৰে। শুক্ৰৰ বায়ুমণ্ডলত ফছফিন গেছ



শুক্ৰত ফছফিন গেছ